# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত





১০ বিশেষ সন্মান
■ সামৰিক অভ্যুত্থান!





৭ ডঃ বাণীকান্ত কাকতি
■ 'মাদানি' মোগলৰ পো-নাতি

১২ পিয়াঁজ আমদানি
■ নতুন স্কৰপিঅ'





১৪ ছাইনাৰ অগ্ৰগতি
■ অসমৰ জয়লাভ





RN-11989/65 RNP/GH-104/09-11 ■ ৫৩ বছৰ ■ ১০১ সংখ্যা, ২৯ কাতি, বৃহস্পতিবাৰ, ১৯৩৯ শক ■ DAINIK ASAM : Assamese Daily ■ VOL. 53 NO. 101 ■ GUWAHATI, THURSDAY, NOVEMBER 16, 2017 ■ পৃষ্ঠা ১৪ (Pages 14) ■ ৬.০০ টকা (Rs. 6.00)


# 'অসমৰ বৌদ্ধিক ইতিহাসৰ পট পৰিৱৰ্তনত ড° কাকতিৰ যথেষ্ট অৰিহণা আছিল'

## ড° বাণীকান্ত কাকতি কিম্বদন্তী পুৰুষ আছিল



<u>মহানগৰ বাতৰি সেৱা</u>

**গুৱাহাটী, ১৫ নৱেম্বৰ ঃ** 'ঊনবিংশ শতিকাৰ বৌদ্ধিক ধাৰাটো আছিল অসাম্যৰ। অসমীয়া সাহিত্যতো মোটামুটিভাৱে এই অসাম্যৰ ধাৰাৰ প্ৰভাৱ আছিল। অসমীয়া সাহিত্যৰ এই অসাম্যৰ ধাৰাটোক প্ৰথমে প্ৰত্যাহ্বান জনোৱা ব্যক্তিগৰাকীয়ে আছিল ড° বাণীকান্ত কাকতি।' আজি কটন বিশ্ববিদ্যালয়ৰ ছুডমাৰ্চন হলত অনুষ্ঠিত 'বৌদ্ধিক ইতিহাসৰ পট পৰিৱৰ্তন আৰু বাণীকান্ত কাকতি' শীৰ্ষক স্মাৰক বক্তৃতা দি তেজপুৰ বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসনৰ অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীয়ে এই মন্তব্য কৰে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ বাণীকান্ত কাকতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত অনুষ্ঠিত স্মাৰক বক্তৃতানুষ্ঠানত ভাষণ দি অধ্যাপক দেৱগোস্বামীয়ে কয় যে সাহিত্যত সাম্যৰ ধাৰা নতুনকৈ প্ৰতিষ্ঠা কৰা বাণীকান্ত কাকতি বিংশ শতিকাৰ আৰম্ভণিতে সংঘটিত হোৱা ৰুছ বিপ্লৱৰ দ্বাৰা প্ৰভাৱিত হৈছিল। যাৰ বাবে পৰৱৰ্তী সময়ত কাকতিৰ ৰচনাত 'সাম্য' শব্দটো প্ৰায়ে ব্যৱহাৰ হোৱা দেখা যায় বুলি তেওঁ মন্তব্য কৰে। কাকতিয়ে তেওঁৰ কোনো এটা লেখাত নীৰৱ সাধকৰ ভিতৰত কাৰ্ল মাৰ্ক্সৰ নাম লৈছিল। ইয়াৰ পৰা দেখা যায় যে তেওঁ ৰুছ বিপ্লৱৰ দ্বাৰা প্ৰভাৱিত হৈছিল। যাৰ বহিঃপ্ৰকাশ তেওঁৰ চিন্তাত আৰু সাহিত্যত পৰিছিল। গোস্বামীৰ মতে, বাণীকান্ত কাকতি এগৰাকী কিম্বদন্তী পুৰুষ আছিল। অসমৰ বৌদ্ধিক ইতিহাসৰ পট পৰিৱৰ্তনত কাকতিৰ যথেষ্ট অৰিহণা আছিল। কাকতিয়ে বেদৰ পৰা আৰম্ভ কৰি বিভিন্ন গ্ৰন্থ অধ্যয়ন আৰু সাহিত্য চৰ্চা প্ৰণালীবদ্ধভাৱে কৰিছিল। তেওঁ কয়— 'কৃষ্ণকান্ত সন্দিকৈ আৰু বাণীকান্ত কাকতিৰ বাহিৰে অদম্য জ্ঞান স্পৃহা থকা কোনো অসমীয়া পোৱা নাই।' অধ্যাপক দেৱগোস্বামীয়ে কয় যে উজনি আৰু নামনিৰ মাজত থকা ভাষা বিভেদৰ ধাৰাটো বাণীকান্ত কাকতিয়ে যুক্তি আৰু তথ্য সহকাৰে নোহোৱা কৰিছিল। বাণীকান্ত কাকতিয়ে শিৱসাগৰীয় ভাষাটোক মান্য ভাষাৰ স্বীকৃতি দিছিল। গৱেষণা প্ৰতিষ্ঠানৰ অধ্যক্ষ আবু নাছিৰ ছৈয়দ আহমেদে আদৰণী ভাষণ দিয়া অনুষ্ঠানটোৰ আৰম্ভণিতে বাণীকান্ত কাকতিৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন আৰু পুষ্পমাল্য অৰ্পণ কৰা হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিতেশ ডেকা, ভাৰপ্ৰাপ্ত পঞ্জীয়ক অৰূপজ্যোতি চৌধুৰী, বিশিষ্ট শিক্ষাবিদ টাবু ৰাম টাইড, অন্নদা চৰণ ভাগৱতী আদি গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।